আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JANUARY 19, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৩ | Guwahati, Assam ।। মূল্যঃ এটকা

# ‘আপোনাক মই ভাল পাইছো, মৰিবলৈ সাজু আছো, কিন্তু জে’ললৈ যাবলৈ প্ৰস্তুত নহয় !’

- ন্যায় যাত্ৰাত বিস্ফোৰক মন্তব্য ভূপেন বৰাৰ
- গান্ধী পৰিয়ালক দেশৰ সবাতোকৈ ভ্ৰষ্টাচাৰী আখ্যা হিমন্ত বিশ্ব শৰ্মাৰ
- তুংগত বাকযুদ্ধ



ই-সংবাদ, ১৯ জানুৱাৰীঃ ৮ বছৰ পূৰ্বে পৰিয়ালৰ দাবীতে কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। বিজেপিত যোগদানৰ পূৰ্বে দিল্লীত সাক্ষাৎ কৰি ভূপেন বৰাকো জোৰ দিছিল বিজেপিমুখী হ’বলৈ। অসমত চলি থকা ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ মাজতে এক সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লৈ এনে বিস্ফোৰক মন্তব্য কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই।

শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা

# আপোনাক মই ভাল পাইছো, মৰিবলৈ সাজু

অসমত ন্যায় যাত্ৰাৰ দ্বিতীয় দিনটোত এক সংবাদমেল সম্বোধন কৰি ৮ বছৰ পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰাৰ আঁৰৰ উদ্দেশ্য প্ৰকট কৰে ভূপেন বৰাই। ভূপেন বৰাই কয় যে ২০১৫ চনলৈ হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছত আছিল। ২০১৪ চনত যেতিয়া দিল্লীত বিজেপিয়ে চৰকাৰ গঠন কৰিছিল, তেতিয়া অসমৰ বিজেপিৰ তত্বাৱধায়ক এছ এছ আহলুৱালিয়াই গুৱাহাটীত এখন বৃহৎ সংবাদমেল সম্বোধন কৰিছিল। তেতিয়া এছ এছ আহলুৱালিয়াই কৈছিল যে লুইচ বাৰ্জাৰ আৰু সাৰদা কেলেংকাৰীৰ ফাইল দ্বিতীয়বাৰৰ খোলা হ'ব। সেই সময়ত হিমন্ত বিশ্ব শৰ্মাৰ পত্নীক কলকাতাৰ চিবিআইৰ কাৰ্যালয়লৈ দুবাৰ মাতি নিয়া হৈছিল। শৰ্মাই যিদিনা বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত লৈছিল তাৰ দুদিন পূৰ্বে তেওঁ দিল্লীত ভূপেন বৰাক সাক্ষাৎ কৰিবলৈ অহা বুলি দাবী কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়,'মোৰ দিল্লীৰ নৰ্থ-এভিনিউ কাৰ্যালয়ত হিমন্ত বিশ্ব শৰ্মাই মোক সাক্ষাৎ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই মোক লগ ধৰি কৈছিল- 'আমি'একেলগে ২৫ বছৰ কংগ্ৰেছ কৰিলো, এতিয়া আমি বিজেপিলৈ যাও বলা'। তেতিয়া মই কৈছিলো আপুনি ৰখক, আমাৰ সকলোৰে দিন আহিব। তেতিয়া হিমন্ত বিশ্ব শৰ্মাই কৈছিল 'মই যাবই লাগিব। কংগ্ৰেছত মোৰ ভৱিষ্যত নাই'। তেতিয়া মই কৈছিলো আমাৰ সময় আৰম্ভ হ'ব। এতিয়া তৰুণ গগৈ আছে। ইয়াৰ পাছতে তোমাৰ আৰু আমাৰ সময় আৰম্ভ হ'ব। তেতিয়া হিমন্ত বিশ্ব শৰ্মাই মোক ক'লে যে বিজেপিত যোগদান কৰাৰ তেওঁৰ অন্য কাৰণ আছে। তেওঁ মোক কৈছিল যে তেওঁৰ পৰিয়ালৰ সদস্য হেনো মৰিবলৈ সাজু, কিন্তু জে'ললৈ যাবলৈ প্ৰস্তুত নহয়। হিমন্ত বিশ্ব শৰ্মাৰ পৰিয়ালৰ সদস্যই কৈছিল- 'মই আপোনাক ভাল পাইছো, মৰিবলৈ সাজু আছো, কিন্তু জে'ললৈ যাবলৈ প্ৰস্তুত নহয়া।' ঘৰৰ মানুহে এনেকৈ কোৱাত হিমন্তই বিজেপি যাবলগীয়া হ'ল। বিজেপিত যোগদানৰ দুদিন পূৰ্বে মোৰ নৰ্থ এভিনিউৰ ফ্লেট নং ১৩৪ত এই কথা কৈছিল।" ভূপেন বৰাই লগতে কয়, "বহু মানুহে ভাৱে যে ৰাজনৈতিক বতাহৰ আগজাননী লাভ কৰি হিমন্ত বিশ্ব শৰ্মাই বিজেপিলৈ গৈছে। কিন্তু প্ৰকৃততে জে'ললৈ যোৱাৰ ভয়তহে হিমন্ত বিশ্ব শৰ্মাই বিজেপিলৈ গৈছে। সেইগৰাকী লোকে আজি আনক দুৰ্নীতি কৰা বুলি অভিযোগ উত্থাপন কৰে। কংগ্ৰেছে হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কেতিয়াও দুৰ্নীতিৰ অভিযোগৰ দাগ লগোৱা নাই। বিজেপিৰ সংসদীয় ব'ৰ্ডে প্ৰকাশ কৰা পুস্তিকাত উল্লেখ কৰিছিল যে কংগ্ৰেছৰ এজন মন্ত্ৰী ভ্ৰষ্টাচাৰী।" ইফালে ২০২১ চনত হিমন্ত বিশ্ব শৰ্মাই পিছ দুৱাৰেৰে মুখ্যমন্ত্ৰী হোৱা বুলিও দাবী কৰি ভূপেন বৰাই। তেওঁ কয় যে ২০২১ত মুখ্যমন্ত্ৰীৰ চেহেৰা আছিল সৰ্বানন্দ সোণোৱাল। পোষ্টাৰত সোণোৱালৰ ফটো ডাঙৰকৈ আছিল। কাষত সৰুকৈ হিমন্ত বিশ্ব শৰ্মাৰ ফটো আছিল। কিন্তু তেওঁ মেনুপুলেট কৰি মুখ্যমন্ত্ৰী হৈছে। এইগৰাকী হিমন্ত অগপৰ চৰকাৰৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ আছিল। কংগ্ৰেছৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া, তৰুণ গগৈ, সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ আছিল। ৰাম মাধৱৰো ঘনিষ্ঠ আছিল। যাৰ অতি ঘনিষ্ঠ আছিল সেই সকলোকে লাঠ মাৰি বিশ্বাসঘাতকতা কৰিছে। ভূপেন বৰাই কয়, "এইগৰাকী হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধী আৰু ছোনীয়া গান্ধীৰ প্ৰতি ওৱে জীৱন বিশ্বাসী হৈ থাকিম বুলি কোৱা ভিডিঅ' মোৰ ওচৰত আছে। ২০১৪ চনৰ নিৰ্বাচনত তেজপুৰত মোৰ কাষতে ভাষণ দি কৈছিল 'গুজৰাটত পানীৰ পাইপেৰে মুছলমানৰ তেজ বৈ যায়।' মোদীক এদিন ৰিক্সাৱালা-ঠেলাৱালাই থাপ্পড় মাৰিব বুলিও কৈছিল।" হিমন্ত বিশ্ব শৰ্মাক সকিয়নী প্ৰদান কৰি বৰাই পুনৰ কয়, "আমাক ধমক নিদিব। আমাৰ কংগ্ৰেছৰ বহু কৰ্মীয়ে গুলী খাই প্ৰাণ দিছে। আমি ভয় নকৰো। আপুনি ২৫ জানুৱাৰীৰ পাছত জে'ললৈ পঠিয়াম বুলি কৈছে। মই আজি ঘোষণা কৰিছো যে আপুনি জে'লৰ কোঠা বুকিং কৰি ৰাখক। আমি জে'ললৈ যাবৰ বাবে সাজু। আমি কংগ্ৰেছীয়ে ভয় নকৰো।

# গোলাঘাট আছুৰ সভাপতি-সম্পাদকক অপসাৰণ



**ই-সংবাদ, ১৯ জানুৱাৰীঃ** অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাক ভোজ-ভাত খুৱাই আছুৰ পৰা অপসাৰিত হ'ল গোলাঘাট জিলা আছুৰ সভাপতি আৰু সম্পাদক। উৰুকাৰ নিশা গোলাঘাট আছুৰ সভাপতি গীতাৰ্থ শইকীয়া আৰু সাধাৰণ সম্পাদক বিশ্বজিত গগৈয়ে মন্ত্ৰী অতুল বৰাৰ সৈতে একেলগে ভোজ-ভাত খাইছিল। এই ফটো প্ৰকাশ পোৱাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ৰাজনৈতিক দলৰ নেতাৰে আছু নেতাৰ মিতিৰালি কৰাৰ অভিযোগৰ পাছতে গোলাঘাট আছুৰ সভাপতি গীতাৰ্থ শইকীয়া আৰু সাধাৰণ সম্পাদক বিশ্বজিত গগৈ পদৰ পৰা অপসাৰণ কৰা বুলি জানিব পৰা গৈছে। আনহাতে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আছুৰ কাৰ্যালয়ত মৰিগাঁও অধিৱেশনত নিৰ্বাচিত সমিতিৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই কাৰ্যনিৰ্বাহক সভাই ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক পুনৰ মুখ্য উপদেষ্টা হিচাপে ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মৰিগাঁৱৰ কাৰ্যনিৰ্বাহকত লোৱা কেইবাটাও সিদ্ধান্ত শীঘ্ৰে কাৰ্যকৰী কৰাৰ লগতে ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক আছুৰ মুখ্য উপদেষ্টা পদত ৰখাৰ কথা ঘোষণা কৰে আছুৱে।

# অমিত শ্বাহৰ উপস্থিতিত শ্বিলঙত উত্তৰ-পূব পৰিষদৰ পূৰ্ণাংগ বৈঠক

## অসম ৰাইফলছৰ চাইবাৰ নিৰাপত্তা কেন্দ্ৰ মুকলি




**ই-সংবাদ, ১৯ জানুৱাৰীঃ** আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত উত্তৰ-পূব পৰিষদৰ ৭১ সংখ্যক পূৰ্ণাংগ বৈঠক অনুষ্ঠিত হয়। এই বৈঠক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। বৈঠকত অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক চাহা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ', মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মিজোৰামৰ মুখ্যমন্ত্ৰী লাল দোমহা, চিক্কিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাং উপস্থিত থাকে। বৈঠকত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ ৰাজ্যপাল সকলো উপস্থিত থাকে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ-পূব পৰিষদৰ ৭১ সংখ্যক পূৰ্ণাংগ বৈঠকত উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ উন্নয়ন, সুৰক্ষা, আইন-শৃংখলা আদি বিষয়ত আলোচনা কৰা হয়। নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ শেষৰখন বৈঠকত বিশেষ কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা বুলি জানিব পৰা হোৱা নাই। বৈঠকৰ পূৰ্বে অমিত শ্বাহে শ্বিলঙৰ লাইটকোৰস্থিত অসম ৰাইফলছৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰে। মুখ্য কাৰ্যালয়ত অসম ৰাইফলছত যুদ্ধ স্মাৰকত শ্বহীদ সেনা জোৱানসকলক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। আনহাতে, অসম ৰাইফলছৰ অত্যাধুনিক চাইবাৰ নিৰাপত্তা অভিযান কেন্দ্ৰ মুকলি কৰে শ্বাহে। ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিবলগীয়া কেন্দ্ৰটোত অত্যাধুনিক নেটৱৰ্ক আৰু ডাটা নিৰীক্ষণ সঁজুলি থাকিব। নতুন কেন্দ্ৰটোৱে বাহ্যিক ভাবুকি হ্ৰাস কৰিব আৰু অসম ৰাইফলছ ৱাইড এৰিয়া নেটৱৰ্কত চাইবাৰ উলংঘন প্ৰতিহত কৰিব। চাইবাৰ নিৰাপত্তা কেন্দ্ৰ উদ্বোধন কৰি অমিত শ্বাহে কয় 'প্ৰতিজন নাগৰিকৰ বাবে এক সুৰক্ষিত ইণ্টাৰনেট পৰিৱেশ নিশ্চিত কৰাৰ বাবে চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে। যাৰ ফলত চাইবাৰ অপৰাধ প্ৰতিৰোধক শীৰ্ষ অগ্ৰাধিকাৰ দিয়া হৈছে। শ্বাহে অসম ৰাইফলছৰ আধুনিকীকৰণৰ প্ৰচেষ্টা আৰু চাইবাৰ নিৰাপত্তা অভিযান কেন্দ্ৰক মুকলি কৰা কাৰ্যক প্ৰশংসা কৰি কয় যে এই সুবিধাই নেটৱৰ্কৰ বাস্তৱ-সময়ৰ নিৰীক্ষণ, বাহ্যিক ভাবুকি হ্ৰাস আৰু অসম ৰাইফলছ ৱাইড এৰিয়া নেটৱৰ্কত চাইবাৰ উলংঘন প্ৰতিহত কৰি চাইবাৰ নিৰাপত্তাৰ স্থিতি বৃদ্ধি কৰিব। চাইবাৰ নিৰাপত্তা অভিযান কেন্দ্ৰই সকলো কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ মাজত এনে ধৰণৰ প্ৰথম পদক্ষেপ মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলিও কয় শ্বাহে। আনহাতে, ২০ জানুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ। ২০ জানুৱাৰীৰ পুৱা ১০ বজাত তেজপুৰৰ সশস্ত্ৰ সীমা বল চৌহদত সশস্ত্ৰ সীমা বলৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। দুপৰীয়া ১২ বাজি ৩০ মিনিটত শোণিতপুৰ জিলাৰ ঠেলামাৰাত উপস্থিত হ'ব। ঠেলামাৰাত অনুষ্ঠিত ত্ৰয়োদশ সদৌ বাথৌ মহাসভাৰ অধিবেশনৰ মুখ্য কাৰ্যসূচীত অংশ ল'ব। বিয়লি ২ বজাত সেনাৰ বিশেষ হেলিকপ্টাৰেৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত উপস্থিত হ'ব। অসম আৰক্ষীৰ ২,৫৫১ গৰাকী কমাণ্ডোৰ দীক্ষান্ত সমাৰোহত উপস্থিত থাকিব অমিত শ্বাহ। বিয়লি ৪ বাজি ৩০ মিনিটত কলাক্ষেত্ৰত এখন গ্ৰন্থ উন্মোচনী কাৰ্যসূচীত অংশ ল'ব শ্বাহে। লাচিত বৰফুকনক লৈ এই গ্ৰন্থখন লিখা হৈছে বুলি জানিব পৰা গৈছে। সন্ধিয়া ৬ বজাত শেষ কাৰ্যসূচী গুৱাহাটীৰ নদীমুখত ব্ৰহ্মপুত্ৰ নদীমুখ প্ৰকল্প উদ্বোধন কৰিব শ্বাহে। এই সকলো কাৰ্যসূচীত অমিত শ্বাহৰ সৈতে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা।

# তেজপুৰত হাতত ঝাড়ু ল'লে গৃহমন্ত্ৰী অমিত শ্বাহে

**ই-সংবাদ, তেজপুৰ, ১৯ জানুৱাৰীঃ** দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰা গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰথম দিনটোত মেঘালয়ৰ ৰাজধানী শ্বিলঙত বিভিন্ন কাৰ্যসূচীত অংশ লৈ আবেলি বিশেষ বিমান যোগে তেজপুৰত উপস্থিত হয়। কাইলৈ পুৱা ১০ বজাত তেজপুৰৰ সশস্ত্ৰ সীমা বলৰ কাৰ্যালয় চৌহদত সশস্ত্ৰ সীমা বলৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। দুপৰীয়া ১২ বাজি ৩০ মিনিটত শোণিতপুৰ জিলাৰ ঠেলামাৰাত সদৌ বাথৌ মহাসভাৰ অধিবেশনত অংশ ল'ব শ্বাহে। তেজপুৰত উপস্থিত হৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আধ্যাত্মিকতাৰ পীঠস্থান তেজপুৰৰ মহাভৈৰৱ মন্দিৰ পৰিদৰ্শন কৰে। অমিত শ্বাহে হাতত ঝাড়ু লৈ তেজপুৰৰ মহাভৈৰৱ মন্দিৰ পৰিষ্কাৰ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অযোধ্যাৰ ৰাম মন্দিৰ উদ্বোধনৰ পূৰ্বে দেশবাসীক মন্দিৰ-ধৰ্মীয় স্থানসমূহ 'স্বচ্ছ তীৰ্থ অভিযান' ৰূপায়ণ কৰিবলৈ জনোৱা আহ্বানৰ প্ৰতি সহাৰি জনাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মহাভৈৰৱ মন্দিৰত স্বচ্ছতাৰ কাৰ্যসূচীত অংশ লয় অমিত শ্বাহে। তাৰ পাছতে তেজপুৰস্থিত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে গৃহমন্ত্ৰী শ্বাহে। অমিত শ্বাহৰ সন্মানাৰ্থে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। অসমৰ বৰ্ণিল সংস্কৃতি পৰিৱেশন কৰে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে।

# ৰাম মন্দিৰৰ গৰ্ভগৃহত ৰখা প্ৰভু ৰামৰ মূৰ্তিৰ ফটো প্ৰকাশ

**নতুন দিল্লী, ১৯ জানুৱাৰীঃ** অযোধ্যাৰ ৰাম মন্দিৰৰ গৰ্ভগৃহত স্থাপন কৰা ৰামলালাৰ মূৰ্তিৰ প্ৰথম ফটো আজি ৰাজহুৱা কৰা হৈছে। ২২ জানুৱাৰীত ভগৱান শ্ৰী ৰামৰ প্ৰাণ প্ৰতিষ্ঠাৰ কাৰ্যসূচীৰ পূৰ্বে আজি ৰামলালাৰ ফটো আজি প্ৰকাশ পায়। প্ৰথমবাৰৰ বাবে অযোধ্যাত নিৰ্মিত মন্দিৰত ভগৱান ৰামৰ প্ৰতিমূৰ্তি গৰ্ভগৃহত ৰখা হৈছে। প্ৰথম দৰ্শনতে ৰামলালাৰই মূৰ্তিয়ে ভক্তসকলক মন্ত্ৰমুগ্ধ কৰিছে। মূৰ্তিটোত বিশ্বাস আৰু আধ্যাত্মিকতাৰ এক আভাস প্ৰতিফলিত হৈছে। প্ৰথম দৰ্শনতে ৰাম ভক্তসকলক আকৰ্ষিত কৰিছে। ভগৱান ৰামৰ মুখত থকা তিলকে সনাতন ধৰ্মৰ বিশালতা দেখুৱাইছে। ভগৱান শ্ৰী ৰামৰ মূৰ্তিটো মহীশূৰৰ ভাস্কৰ্যশিল্পী অৰুণ যোগীৰাজে নিৰ্মাণ কৰিছে। অৰুণ যোগীৰাজ দেশৰ অন্যতম প্ৰসিদ্ধ ভাস্কৰ্যশিল্পী। অৰুণ যোগীৰাজৰ পঞ্চম প্ৰজন্মই মূৰ্তি নিৰ্মাণৰ বাবে কাম কৰি আছে। পিতৃ আৰু ককাকৰ পাছতে অৰুণ যোগীৰাজে ভাস্কৰ্য কলাৰ ক্ষেত্ৰত প্ৰৱেশ কৰিছিল। মহীশূৰৰ ৰজাৰ সময়ৰ পৰাই পূৰ্বপুৰুষসকল ভাস্কৰ্যৰ ক্ষেত্ৰত নিযুক্ত আছিল। অৰুণে এমবিএ সম্পূৰ্ণ কৰাৰ পিছত কৰ্পোৰেট খণ্ডত কাম কৰিছিল যদিও ভাস্কৰ্যৰ ক্ষেত্ৰলৈ ঘূৰি আহে। অৰুণ যোগীৰাজে দেশৰ বহু ডাঙৰ ব্যক্তিত্ব আৰু দেৱ-দেৱীৰ মূৰ্তি নিৰ্মাণ কৰিছে। ইণ্ডিয়া গেটৰ ওচৰত অমৰ জোৱান জ্যোতিৰ পিছফালে সুভাষ চন্দ্ৰ বসুৰ ৩০ ফুটৰ মূৰ্তি, কেদাৰনাথত শংকৰাচাৰ্যৰ ১২ ফুট ওখ মূৰ্তিও নিৰ্মাণ কৰিছে।

# লোকসেৱাত উজলিল ধনশিৰিৰ ৭ সন্তান

**ই-সংবাদ, সৰুপথাৰ, ১৯ জানুৱাৰীঃ** সদ্য ফলাফল ঘোষিত অসম লোকসেৱা আয়োগৰ চূড়ান্ত পৰীক্ষাত অসম-নগালেণ্ড সীমান্তৰ সৰুপথাৰ উপ-জিলাৰ সাতজনকৈ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সাতগৰাকী মেধাই ধনশিৰি মহকুমালৈ গৌৰৱ কঢ়িয়াই অনাত আনন্দিত হৈছে ৰাইজ। সৰুপথাৰ উপ-জিলাৰ কৰ্দৈগুৰি গাঁৱৰ বিভূতি সন্দিকৈ, নাওজানৰ ৰমেন দত্ত (খণ্ড উন্নয়ন বিষয়া), দৰ্শন উপাধ্যায় (শ্ৰম বিষয়া), সৰুপথাৰ খনিকৰ গাঁৱৰ পলাশী বৰা (গাণনিক), পদুমনিৰ সুৰজ দুৱৰা (গাণনিক), চুঙাজানৰ অজয় কুমাৰ কাৰ্কী ছেত্ৰী (খণ্ড উন্নয়ন বিষয়া) আৰু বৰপথাৰ চাংপুলৰ হিম কুমাৰ ঘিমিৰে (গাণনিক) হিচাপে নিযুক্তি লাভ কৰিছে। এই সফলতাত সমগ্ৰ অঞ্চলবাসীয়ে গৌৰৱবোধ কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

# জয়ৰাম ৰমেশৰ মুখত অসমীয়া! ‘ভয় নকৰিবা হিমন্ত’



## ■ ন্যায় যাত্ৰাই অসমলৈ পৰিৱৰ্তন আনিব বুলি দাবী
## ■ মাজুলীত ৰাহুলৰ সেৱা

**ই-সংবাদ, ১৯ জানুৱাৰীঃ** আজি ৰাহুল গান্ধীৰ ভাৰত জোড়ো যাত্ৰাৰ ষষ্ঠ দিন আৰু অসমত এই যাত্ৰাৰ দ্বিতীয় দিন৷ প্ৰথম দিনটোৰ যাত্ৰা সামৰি নিশা যোৰহাটৰ ব্ৰহ্মপুত্ৰৰ নিমাতীঘাটত পাৰ কৰে ৰাহুল গান্ধীয়ে৷ পুৱা ৭ বজাত মাজুলীলৈ নাৱেৰে যাত্ৰা আৰম্ভ কৰে। মাজুলীৰ অফলামুখ ঘাটত উপস্থিত হৈ কমলাবাৰী চাৰিআলিলৈ যাত্ৰা কৰি আউনীআটী সত্ৰত উপস্থিত হয় ৰাহুল গান্ধী৷ আউনীআটী সত্ৰত সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীৰ লগতে বাপ-বান্ধৱক সাক্ষাৎ কৰে৷ গুৰুজনাৰ শ্ৰীচৰণত সেৱা জনাই সত্ৰৰ লোকৰ সৈতে মত-বিনিময় কৰি দীৰ্ঘ সময় অতিবাহিত কৰে। আউনীআটী সত্ৰ পৰিদৰ্শন কৰি অভিভূত হয় গান্ধী৷ সত্ৰত সেৱা লৈ ৰাহুল গান্ধীয়ে পৰম্পৰাগত খাদৈ-চিৰাৰ জুতি লয়৷ আউনীআটী সত্ৰত প্ৰৱেশৰ পূৰ্বে অসমীয়া পৰম্পৰাগত পোছাক পৰিধান কৰে গান্ধীয়ে৷ এই সময়ছোৱাত মাজুলীৰ সত্ৰত কণমানিৰ সত্ৰিয় নৃত্য উপভোগ কৰি আপ্লুত হয়৷ অফলামুখ ঘাটৰ পৰা কমলাবাৰী চাৰিআলিলৈ যাত্ৰাৰ সময়ত গাড়ীৰ দুৱাৰত থিয় হৈয়ে ৰাস্তাতে ৰাইজক সম্বোধন কৰি পুনৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰে৷ হিমন্ত বিশ্ব শৰ্মাক ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি অভিহিত কৰে৷ মুখ্যমন্ত্ৰীৰ পত্নী আৰু সন্তানৰ লগতে সমগ্ৰ পৰিয়ালটো দুৰ্নীতিত লিপ্ত বুলি দাবী কৰে ৰাহুলে৷ ৰাহুল আৰু কয় কেইবামাহো ধৰি জ্বলি আছে মণিপুৰ৷ মণিপুৰত ইজনৰ পিছত সিজনৰ হত্যা হৈ আছে৷ কিন্তু আজিলৈকে প্ৰধানমন্ত্ৰী মোদী মণিপুৰলৈ যোৱা নাই। নাগালেণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে ৯ বছৰ পূৰ্বে ফ্ৰেমৱাৰ্ক চুক্তি স্বাক্ষৰ কৰাৰ প্ৰতিশ্ৰুতি দি পূৰণ নকৰিলে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে হিমন্ত বিশ্ব শৰ্মাক অসমীয়াতে ‘ভয় নকৰিবা হিমন্ত’ বুলি কৈ আক্ৰমণ কৰে৷ বিগত দুটা দিনত ভাৰত জোড়ো ন্যায় যাত্ৰাই অসমত পৰিৱৰ্তন অনা বুলি দাবী কৰি জয়ৰাম ৰমেশে কয় ‘হিমন্ত ভয় নকৰিবা’৷ ৰাহুল গান্ধীৰ বিগত দুটা দিনৰ ভাৰত জোড়ো ন্যায় যাত্ৰাই অসমৰ ৰাজনীতিত পৰিৱৰ্তন আনিছে৷ আমি অসমত আৰু ৫ দিন থাকিম৷ হিমন্ত তুমি ভয় নকৰিবা৷ অসমৰ ৰাইজে ৰাহুল গান্ধীক উষ্ম আদৰণি জনোৱাত অসমৰ মুখ্যমন্ত্ৰী স্তম্ভিত হৈ পৰিছে বুলিও কয় ৰমেশে৷ ভূপেন বৰাই যাত্ৰক বিজেপি আৰু প্ৰশাসনে বাধা দিব খোজাৰ অভিযোগ উত্থাপন কৰি কয় যে ৰাস্তাৰে খোজকাঢ়ি যোৱাত আমাক কোনেও বাধা দিব নোৱাৰে৷ কালি যোৰহাটত তৰা গোচৰ ষড়যন্ত্ৰমূলক৷ মোৰ নিৰ্দেশত জিলা কংগ্ৰেছে পথৰ অনুমতি বিচাৰি আবেদন কৰিছিল৷ আমি কোনটো ৰাস্তাৰে যাম সেইটো কালি আমি নিজেই চাইছিলো৷ ৰাহুল গান্ধীৰ সৈতে আটাইতকৈ সন্মুখত মই আৰু বিৰোধী দলপতি দেবব্ৰত শইকীয়া আছিলো৷ গোচৰ হ’ব লাগিলে আমাৰ ওপৰত হ’ব লাগে৷ আমাক পুলিচে কতো বাধা দিয়া নাই৷ ৰাইজে হি’ল-দল ভাঙি ৰাস্তাৰ মাজলৈ ওলাই আহিছে৷ যোৰহাট উচ্চ শিক্ষিত, সাংস্কৃতিকভাবে আগবঢ়া আৰু আৰ্থিকভাবে চহকী চহৰত মানুহে হি’ল দল ভাঙি ওলাই আহিছে৷ অভিযোগ থাকিলে ৰাইজেহে ক’ব লাগিছিল বুলিও কয় ভূপেন বৰাই৷ গৌৰব গগৈয়ে এদিন পূৰ্বে ৰাহুল গান্ধীয়ে কোৱা কথাষাৰকে দোহাৰি কয় যে দেশৰ সকলোতকৈ ভ্ৰষ্ট মুখ্যমন্ত্ৰী অসমৰ মুখ্যমন্ত্ৰী৷ প্ৰদেশ কংগ্ৰেছে মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ দুৰ্নীতিসমূহ বাৰে বাৰে সমাজৰ মাজত উত্থাপন কৰি আহিছে৷ মাজুলীৰ পৰা ৰাহুল গান্ধীৰ ঢকুৱাখনা অভিমুখে যাত্ৰা কৰি গোগামুখত উপস্থিত হয়৷ মাজুলীৰ পৰা ঢকুৱাখনা অভিমুখে যাত্ৰা কৰাৰ সময়তে পথৰ দুয়োকাষে হাজাৰ হাজাৰ লোকে থিয় হৈ ৰাহুল গান্ধীক আদৰণি জনোৱা পৰিলক্ষিত হয়৷ বিভিন্নজনে পথৰ দাঁতিত থিয় হৈ গান্ধীক ফুলাম গামোচাও পিন্ধাই৷ নিশা গোগামুখতে কটাব গান্ধীয়ে৷ ২০ জানুৱাৰীত ৰাহুল গান্ধীয়ে ঐতিহাসিক পদুমণি থানত সেৱা লৈ বগীনদী হৈ লখিমপুৰত ৰোড-শ্ব’ কৰিব। নাওবৈচা হৈ অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ যাব ৰাহুল গান্ধীয়ে। আজি ভাৰত জোড়ো ন্যায় যাত্ৰাৰ দ্বিতীয় দিনটোত ৰাহুল গান্ধীৰ সৈতে নিখিল ভাৰত কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক কে.চি. বেণুগোপাল, সাধাৰণ সম্পাদক জয়ৰাম ৰমেশ, অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিং, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক তৎপৰ দেখা যায়৷ ৰাহুল গান্ধীয়ে অসমত মুঠ ৭টা দিন অতিবাহিত কৰিব৷ ৮৩৩ কিলোমিটাৰ যাত্ৰা কৰি ২৫ জানুৱাৰীত পশ্চিমবংগত প্ৰৱেশ কৰিব৷

# মণিপুৰৰ ম'ৰে-বিষ্ণুপুৰত পুনৰ গৃহযুদ্ধ সদৃশ পৰিস্থিতি

## ৪৮ ঘণ্টাত তিনি জিলাত ৭ জনক গুলীয়াই হত্যা




**ই-সংবাদ, ১৯ জানুৱাৰীঃ** মণিপুৰত গৃহযুদ্ধ সদৃশ পৰিস্থিতি অব্যাহত আছে৷ অশান্তজৰ্জৰ মণিপুৰত নিতৌ সশস্ত্ৰ গোটে হত্যা-হিংসা অব্যাহত ৰাখিছে৷ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে হত্যা-হিংসা নিয়ন্ত্ৰণত বিফল হোৱাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে বিগত কেইটামান ঘণ্টাত ৭গৰাকী লোকে গুলীত প্ৰাণ হেৰুৱাইছে৷ ইয়াৰ এজন নিৰাপত্তাৰক্ষী৷ ১৮ জানুৱাৰীত সশস্ত্ৰ গোটে ৫ জনকৈ লোকক হত্যা কৰিছে৷ অজ্ঞাত সশস্ত্ৰ দুৰ্বৃত্তই ভয়ংকৰ আক্ৰমণৰ দুটা পৃথক ঘটনাত পাঁচজন নাগৰিকৰ প্ৰাণ গৈছে। ১৮ জানুৱাৰীৰ আবেলি প্ৰায় ৩.৪৫ বজাত বিষ্ণুপুৰ জিলাৰ অন্তৰ্গত নিংথৌখং খা খুনুত পিতৃ আৰু পুত্ৰকে ধৰি চাৰিজন কৃষকক সশস্ত্ৰ দুৰ্বৃত্তই গুলীয়াই হত্যা কৰে। পিতৃ-পুত্ৰ অইনাম বামোঞ্জাও (৬৩) আৰু অইনাম মণিটম্বা (৩৭) বুলি চিনাক্ত কৰা হৈছে। আন দুজন ভুক্তভোগীক থিয়াম সোমেন্দ্ৰো (৫৩) আৰু নিংথৌজাম নাবাদীপ বুলি চিনাক্ত কৰা হৈছে। সশস্ত্ৰ গোটে বিষ্ণুপুৰ জিলা লামলাই কাবুই গাঁৱৰ পৰা নামি আহিছিল৷ ধানখেতিৰ মাজত পানী যোগান প্ৰকল্পত চাৰিজন নাগৰিকক হত্যা কৰে। আনহাতে, কাংপোকপি জিলাৰ কাংচুপত সংঘটিত গুলীচালনাত এজন গাওঁ স্বেচ্ছাসেৱকে প্ৰাণ হেৰুৱাই। গাওঁ স্বেচ্ছাসেৱক জন ২৮ বছৰীয়া টাখেলাম্বাম মনোৰঞ্জন বুলি চিনাক্ত কৰা হৈছে। এই ঘটনাত আনহাতে কমেও তিনিজন লোক আহত হৈছে। ১৭ জানুৱাৰীত মোৰেহ চহৰত ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ শিবিৰত আক্ৰমণ কৰে সশস্ত্ৰ গোটে৷ এই আক্ৰমণত দুজন লোক নিহত হয়৷ ইয়াৰে এজন ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ জোৱান৷ ১৭ জানুৱাৰীৰ পুৱতি নিশা প্ৰায় ৪ বজাত মোৰেহ চহৰৰ ইমা কণ্ডং লাইৰেম্বি দেৱী মন্দিৰৰ ওচৰত সশস্ত্ৰ দুৰ্বৃত্তই নিৰাপত্তা বাহিনীৰ ওপৰত আক্ৰমণ চলাই। সশস্ত্ৰ গোটে চিকিম ভিলেজৰ পাহাৰৰ পৰা নামি ৰকেট চালিত গ্ৰেনেড আৰু গুলীচালনা কৰে৷ মন্দিৰৰ ওচৰত শুই থকা অৱস্থাত গুলী লাগি আইআৰবি জোৱান ৱাংখেম সোমৰজিৎ মেইটেসহ দুজন লোক নিহত হয়৷ কেন্দ্ৰই নিয়োগ কৰা মণিপুৰৰ নিৰাপত্তা উপদেষ্টা কুলদিপ সিঙে নিৰীহ নাগৰিক আৰু নিৰাপত্তা বাহিনীক লক্ষ্য কৰি লোৱা কুকি উগ্ৰপন্থীৰ সক্ৰিয় ভূমিকাক লৈ উদ্বেগ প্ৰকাশ কৰে৷ সিঙে প্ৰকাশ কৰিছিল যে শেহতীয়া ঘটনা বিষ্ণুপুৰ অঞ্চলত সংঘটিত হৈছে৷ য'ত কুকি উগ্ৰপন্থীয়ে নাগা গাঁৱৰ ওচৰত তিনিজন শ্ৰমিকক আক্ৰমণ কৰিছিল৷ যাৰ ফলত তেওঁলোক গুৰুতৰভাৱে আহত হয়। নিৰাপত্তা বাহিনী উচ্চ সতৰ্কতা অৱলম্বন কৰি পৰিস্থিতিৰ মোকাবিলা কৰাৰ প্ৰয়াস কৰিছে। নিৰাপত্তা উপদেষ্টাজনে কয় যে মোৰেহত বৃহৎ সংখ্যক কুকি উগ্ৰপন্থীয়ে তিনিটা স্থানত কমাণ্ডো চৌকিত আক্ৰমণ কৰিছিল৷ ৰিচ হোটেল, জিএম হোটেল আৰু এছবিআইত আক্ৰমণ কৰিছিল। নিৰাপত্তা উপদেষ্টা কুলদিপ সিঙৰ বিবৃতিৰ পাছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মণিপুৰৰ সামাজিক-সাংস্কৃতিক সংগঠন মণিপুৰ ইণ্টিগ্ৰিটি সমন্বয় সমিতিয়ে (কোকোমি) কয় যে ৰাজ্যজুৰি কুকি উগ্ৰপন্থীৰ বৰ্ধিত সক্ৰিয়তাক লৈ নিৰাপত্তা উপদেষ্টা কুলদিপ সিঙে ব্যক্ত কৰা মন্তব্যক ৰাষ্ট্ৰীয় গুৰুত্ব দিয়া উচিত। কুলদিপ সিঙৰ মন্তব্যৰ এই বিশেষ দিশটোৰ ওপৰত ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে উচিত মন্থন কৰিব লাগে। কোকোমিয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমক কুলদীপ সিঙৰ সমালোচনামূলক মন্তব্যক প্ৰকাশ কৰিবলৈ আন্তৰিকতাৰে আহ্বান জনাইছে৷ মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আকাশৰে নিৰীক্ষণ কৰিবলৈ কেন্দ্ৰৰ পৰা হেলিকপ্টাৰ বিচাৰি হায়ৰাণ হৈ পৰিছে৷ ম্যানমাৰ সীমান্তৰ চহৰ মোৰেত আইআৰবিৰ জোৱানে প্ৰাণ হেৰুওৱাৰ পাছতে কেন্দ্ৰীয় চৰকাৰৰ পৰা তাৎক্ষণিকভাৱে হেলিকপ্টাৰ বিচাৰি কেন্দ্ৰীয় চৰকাৰক আৰ্জি দিছিল ৰাজ্য চৰকাৰে৷ শেহতীয়া অস্থিৰ পৰিস্থিতি চম্ভালিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ক পত্ৰ লিখিবলৈ বাধ্য হৈছে৷



## বিনিময় প্ৰথা চাবলৈ ভিৰ, অচল হৈ পৰিল মুদ্ৰা

# দ্বিতীয় দিনাও জোনবিল মেলাত উখল-মাখল পৰিৱেশ

**ই-সংবাদ, বিশেষ প্ৰতিনিধি, মৰিগাঁও ১৯ জানুৱাৰীঃ** প্ৰাচীন তিৱা ৰাজ্যৰ গৌৰৱময় পৰম্পৰাক আজিও জীপাল কৰি ৰাখিছে তীৱা জনগোষ্ঠীয়ে। এই পৰম্পৰা ৰক্ষা কৰি গোভাৰাজ্যৰ জোনবিল মেলা কালিৰে পৰা জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। ১৬০০ শতিকাৰ তিৱাসকলৰ ঐতিহ্য পৰম্পৰাৰে সমৃদ্ধ জোনবিল মেলাত বিৰ দি বাট নোপোৱা অৱস্থা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকেৰে ভৰি পৰিছে মেলাখন। আজি দ্বিতীয় দিনটোত জোনবিল 'মেলাত বিনিময় প্ৰথা অনুষ্ঠিত হয়। আজি মেলাত মুদ্ৰা অচল হৈ পৰে। আধুনিক মুদ্ৰা প্ৰচলনে লুপ্ত কৰি পেলোৱা ১৪ শতিকাৰ বিনিময় প্ৰথাৰে জিলিকি উঠিল গোভা ৰাজ্যৰ জোনবিল মেলা। পাহাৰীয়া লোকসকলে মেলালৈ পাহাৰত উৎপাদন কৰা কচু, আলু, আদা, হালধি, জালুক, জলকীয়া, কোমোৰা, গন্ধক আৰু শুকানমাছ আদি সামগ্ৰী লৈ আহে। ভৈয়ামৰ লোকসকলৰ উৎপাদিত লাৰু, পিঠা, সান্দহ, পিঠাগুড়ি আদি বিনিময় কৰা পৰিলক্ষিত হয়। পুৱতি নিশা জোনবিল মেলাত বিনিময় প্ৰথা পৰ্ব মুকলি কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। বিনিময় প্ৰথা পৰ্বত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ। ১৬শ শতিকাৰ প্ৰাচীন গোভা ৰাজ্যৰ জোনবিল মেলাত আজি অসমৰ ১৯জন তিৱা ৰজাই অংশ লয়। মধ্য অসমৰ ১৯ গৰাকী তিৱা ৰজাক জোনবিল মেলাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই ৰাজভাট্টা প্ৰদান কৰে। প্ৰাচীন মেলাখনক পাহাৰৰ পৰা আগমন ঘটিছে বহুসংখ্যক পাহাৰীয়া অঞ্চলৰ মামা-মামীৰা মেঘালয়, কাৰ্বি আংলঙৰ লংপ, মৰঙা, উমদেন, উমতাই, উমডোঙা, উমচিয়াং, উমজাৰী, উমদেংখুলাই, মাজৰ, মায়ং, চুমিদাং, লুমফৈ, আমদাং, আমদঙা, লেমেৰা, খাৰখুজি, আমবাট, মাৰ্জং, বালিখুজি, দাপমাছাল, নুনফৈ আদি বহু পাহাৰীয়া গাঁৱৰ জনজাতীয় ৰাইজে মেটমৰা বোজালৈ ভৈয়ামৰ জোনবিলৰ মেলাত প্ৰাচীন ঐতিহ্যময় সংস্কৃতি বিনিময় প্ৰথা জিলিকাই তোলে। কালি উত্তৰ-পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক অনুষ্ঠানৰ পাছতে পাহাৰৰ মামা-মামীসকল লগত গোভাৰজাৰে বাৰ্তালাপ কৰিছিল। লগতে স্মৃতিগ্ৰন্থ 'জোনবিল' উন্মোচন কৰা হয়। পাহাৰ-ভৈয়ামৰ সাংস্কৃতিক অনুষ্ঠানৰ পাছতে জোনবিলৰ পাৰত ৰজা দীপচিং দেওৰজাৰ সৈতে ১৯ গৰাকী বিষয়া-পাৰিষদে ভোজ-ভাত খায়।

# শেষ পৃষ্ঠা

## অন্ধ্ৰৰ বিৰুদ্ধে সুন্দৰ আৰম্ভণি অসমৰ

**ডিব্ৰুগড়, ১৯ জানুৱাৰীঃ** ইয়াৰ জালান আউটড'ৰ ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হোৱা ৰঞ্জি ট্ৰফি এলাইট গ্ৰুপ 'বি'ৰ মেছত শক্তিশালী অন্ধ্ৰপ্ৰদেশৰ বিৰুদ্ধে সুন্দৰ আৰম্ভণি কৰিবলৈ সক্ষম হৈছে ঘৰুৱা দল অসমে। টছত জয়ীহৈ বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে অন্ধ্ৰপ্ৰদেশৰ অধিনায়ক হনুমা বিহাৰীয়ে। সোনকালে তেওঁৰ সিদ্ধান্ত ভুল প্ৰমাণিত কৰে অসমৰ বলাৰ সকলে। বাওঁহতীয়া স্পিনাৰ ৰাহুল সিঙৰ বিধ্বংসী বলিঙত তিষ্টিব নোৱাৰি আলহী দলটোৱে ৭২.১ অভাৰত ১৮৮ ৰান কৰি ইনিংছ সামৰে। দলটোৰহৈ ছোৱাইব মহম্মদ খানে সৰ্বাধিক ৬৩ ৰান কৰে। এক ৰানৰ বাবে অৰ্ধ শতকৰ পৰা বঞ্চিত হোৱা নিতিশ কুমাৰ ৰেড্ডীয়ে তেওঁক সহযোগিতা আগবঢ়াই। অসমৰ হৈ ৰাহুল সিঙে ৪৬ ৰানৰ বিনিময়ত ছয়টা উইকেট দখল কৰে। তেওঁৰ লগতে আকাশ সেনগুপ্তা আৰু মোখতাৰ হুছেইনে দুটাকৈ উইকেট লাভ কৰে। আসমে প্ৰথম ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ ১৫ অভাৰত সংগ্ৰহ কৰিছে ৪৩ ৰান। দিনান্তত অপেনাৰদ্বয় ঋষভ দাস আৰু ৰাহুল হাজৰিকাই ক্ৰমে ১৮ আৰু ২১ ৰান কৰি ক্ৰিজত আছে।

## ব্যৰ্থ ভাৰত

**ৰাঁচী, ১৯ জানুৱাৰীঃ** ভাৰতীয় মহিলা হকী দলে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাত ব্যৰ্থ হৈছে। আজি ইয়াত অনুষ্ঠিত হোৱা যোগ্যতা নিৰ্ণায়ক টুৰ্ণামেণ্টৰ তৃতীয় স্থান নিৰ্ণয়কাৰী মেছত জাপানৰ হাতত ১-০ গলত পৰাস্ত হয় ভাৰত। উল্লেখ্য যে এই টুৰ্ণামেণ্টৰ প্ৰথম তিনিটা দলে পেৰিছ অলিম্পিকত খেবিব। ভাৰতীয় দলে ব্ৰঞ্জ পদক জয় কৰাত ব্যৰ্থহৈ পেৰিছলৈ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। জাপানৰহৈ একমাত্ৰ গলটো দিয়ে কানা উৰাটাই। আজিৰ জয়ৰে জাপানে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰে।



■ হাতত ঝাড়ু লৈ তেজপুৰৰ মহাভৈৰৱ মন্দিৰ পৰিস্কাৰ কৰিছে গৃহমন্ত্ৰী অমিত শ্বাহে

# ধৰ্মগুৰু গুৰমীত ৰাম ৰহিমক আকৌ পেৰলত মুকলি

**অনলাইন ফিচাৰ্ছ, ১৯ জানুৱাৰীঃ** পুনৰ পেৰ'লত মুকলি কৰি দিয়া হ'ল ধৰ্ষণ আৰু হত্যাৰ দৰে গুৰুতৰ অপৰাধত দোষী সাব্যস্ত হোৱা স্বয়ম্ভু ভগৱান গুৰমীত ৰাম ৰহিমক। ২০২৩ চনৰ নৱেম্বৰ মাহত ২১ দিনৰ বাবে পেৰ'লত মুকলি কৰি দিয়া হৈছিল ৰাম ৰহিমক। কিন্তু তাৰ মাত্ৰ দুমাহ পিছতে এইবাৰ ৫০ দিনৰ বাবে পেৰ'লত মুকলি কৰি দিয়া হ'ল বিতৰ্কিত ধৰ্মগুৰুজনক। উল্লেখ্য যে, ২০২৩ চনত মুঠ তিনিবাৰ পেৰ'লত মুকলি কৰি দিয়া হৈছিল গুৰমীত ৰাম ৰহিমক। শাস্তি লাভ কৰাৰ পিছত এতিয়ালৈকে ৰাম ৰহিমক দিয়া হৈছে ৬ বাৰ পেৰ'ল। উল্লেখ্য যে, গুৰমীত ৰাম ৰহিমক দুটা ধৰ্ষণ কাণ্ডৰ অপৰাধত কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হৈছে। ইয়াৰোপৰি নিজৰ মেনেজাৰক হত্যা কৰাৰ অভিযোগতো দোষী সাব্যস্ত কৰা হৈছে কুখ্যাত ধৰ্মগুৰুজনক। হাৰিয়ানাৰ পঞ্চকুলা আদালতে ডেৰাৰ দুগৰাকী কিশোৰী শিষ্যক ধৰ্ষণ কৰাৰ অপৰাধত ২০ বছৰৰ কাৰাদণ্ডৰ শাস্তি বিহিছিল ৰাম ৰহিমক। ইফালে ডেৰা সচ্চাৰ মুৰব্বীজনৰ এই কু-কাণ্ড পোহৰলৈ অনাৰ প্ৰয়াস কৰাৰ বাবে এগৰাকী সাংবাদিককো পৰিকল্পিতভাৱে হত্যা কৰিছিল ৰাম ৰহিমে। লগতে ২০০২ চনত ডেৰাৰ মেনেজাৰ ৰঞ্জিত সিঙৰ হত্যাকাণ্ডৰ দোষীৰ তালিকাতো তেওঁৰ নাম আছে। কিন্তু এনেহেন এজন অপৰাধীক বাৰে বাৰে পেৰ'লত মুকলি দিয়াক লৈ প্ৰশ্ন উত্থাপন কৰিছে বিৰোধীয়ে। ৰাজনৈতিক লাভালাভৰ বাবে ৰাম ৰহিমক বাৰে বাৰে জে'লৰ পৰা মুকলি কৰি দিয়া হৈছে বুলি অভিযোগ উত্থাপন কৰিছে বিৰোধীয়ে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান